অধ্যায় ১২ ঃ তদ্ধিত প্রত্যয়

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ তদ্ধিত প্রত্যয়সমূহ
১২.৩.১ অপত্যার্থক তদ্ধিত প্রত্যয়
১২.৩.২ মতুপ্ প্রত্যয়ার্থক প্রত্যয়
১২.৩.৩ উৎকর্ষ বুজোৱা প্রত্যয়
১২.৩.৪ সংখ্যাবাচক/সময়বাচক প্রত্যয়
১২.৪ সংক্ষিপ্ত প্রত্যয় সূচী
১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৬ অধিক জানিবলৈ
১২.৭ অগ্রগতিৰ খতিয়ান
১২.৮ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- তদ্ধিত প্রত্যয়সমূহৰ পৰিচয় লাভ কৰিব
- বিভিন্ন অর্থত যে তদ্ধিত প্রত্যয়সমূহৰ প্রয়োগ হয়, তাৰ বিষয়েও জানিব পাৰিব
- বিভিন্ন লিঙ্গ, বিভক্তি তথা বচনত প্রত্যয়সমূহ ব্যৱহাৰ হোৱা কৌশলসমূহৰ বিষয়েও অবগত হ'ব পাৰিব
- প্রত্যয়সমূহ প্রয়োগ হোৱাৰ লগে লগে শব্দসমূহৰ আকৃতিগত পৰিৱর্তনৰ বিষয়েও জ্ঞান লাভ কৰিব।

১২.২ পৰিচয়

ইতিমধ্যে আপুনি প্রত্যয় সম্বন্ধে অৱগত হৈ আহিছে।প্রত্যয় হৈছে মুখ্যভাৱে দুই প্রকাৰৰ— কৃৎ আৰু তদ্ধিত।ধাতুৰ পিছত কেতবোৰ প্রত্যয় যোগ কৰি বিশেষ্য, বিশেষণ, ক্রিয়াবাচক বিশেষণ আৰু অব্যয় শব্দ গঠন কৰা হয়। এইবোৰ হ'ল কৃৎ প্রত্যয়। এইবোৰৰ বিষয়ে ইতিমধ্যে আগৰ অধ্যায়ত আলোচনা কৰা হৈছে।

'অর্থবদধাতুৰপ্রত্যয়ঃ প্রাতিপদিকম্' —অর্থাৎ যিবোৰ শব্দ ধাতুও নহয়, প্রত্যয়ো নহয়, প্রত্যয়ান্ত শব্দও নহয়; অথচ কোনো বস্তুবাচক অথবা বস্তুৰ বিশেষণ বাচক শব্দ, সেইবোৰক

প্রাতিপদিক বোলে। যেনে— বস্তুবাচক — নৰ, ফল, চন্দ্র, সূর্য্য, বায়ু ইত্যাদি; বস্তুৰ বিশেষণবাচক — প্রৱল, নূতন, পুৰাণ, সুন্দৰ ইত্যাদি। বিভিন্ন অর্থ বুজাবলৈ প্রাতিপদিকৰ পিছত যিবোৰ প্রত্যয় যোগ কৰি নতুন শব্দ গঠন কৰা হয়, সেইবোৰকে তদ্ধিত প্রত্যয় বোলে।

তদ্ধিত প্রত্যয়সমূহ বিভিন্ন অর্থত ব্যৱহাৰ কৰা হয়। এই প্রত্যয়সমূহ ব্যৱহাৰ হৈ একো একোটা নতুন শব্দ গঠন কৰে। এই শব্দসমূহক তদ্ধিত প্রত্যয়ান্ত শব্দ বুলি কোৱা হয়। কেতিয়াবা কেতিয়াবা এটা প্রত্যয় এটা নির্দিষ্ট অর্থত ব্যৱহাৰ নহৈ, বিভিন্ন অর্থতো ব্যৱহাৰ হ'ব পাৰে। কিছুমান তদ্ধিত প্রত্যয়ান্ত শব্দ অব্যয় হিচাপে ব্যৱহাৰ হয়, আনহাতে কিছুমান শব্দৰ শব্দৰূপ কৰি প্রয়োগ কৰা হয়। এনে ধৰণৰ বহুতো বিষয়ৰ লগত এই অধ্যায়টিৰ জৰিয়তে আপুনি পৰিচিত হ'ব পাৰিব।

১২.৩ তদ্ধিত প্রত্যয়

এতিয়া আপুনি বিভিন্ন প্রকাৰৰ তদ্ধিত প্রত্যয়ৰ সৈতে পৰিচিত হ'ব। এই প্রত্যয়সমূহ উদাহৰণেৰে সৈতে দেখুওৱা হৈছে।

১২.৩.১ অপত্যার্থক তদ্ধিত প্রত্যয়

অপত্য (সন্তান) অর্থত কিছুমান নির্দিষ্ট তদ্ধিত প্রত্যয়ৰ প্রয়োগ হয়। তলত আপোনাৰ বাবে কেইটামান আলোচনা কৰা হ'ল—

ক) অণ্ (ষ্ণ বা ষণ্) ঃ

১) শিৱ আদি কেইটামান শব্দৰ পিছত সন্তান অর্থাৎ অন্ প্রত্যয়ৰ প্রয়োগ হয়।

২) এই অণ্ প্রত্যয়ক ষ্ণ বা ষণ্ প্রত্যয় হিচাপেও জনা যায়।

৩) এই প্রত্যয়টোৰ কেৱল 'অ'হে অৱশিষ্ট হৈ থাকে।

৪) উদাহৰণ— শিৱস্য অপত্যং পুমান্ - শিৱ + অন্ (ষ্ণ বা ষণ্) = শৈৱঃ
গঙ্গায়াঃ অপত্যং পুমান্ - গঙ্গা + অন্ = গাঙ্গঃ



জানি থোৱা ভাল

ইয়াত পুমান্ শব্দটো পুংলিঙ্গ অর্থত ব্যৱহৃত হৈছে। উক্ত তদ্ধিত প্রত্যয়ান্ত শব্দবোৰ স্ত্রীলিঙ্গত ঈ কাৰান্ত হয়। যেনে— শৈৱী, গাঙ্গী ইত্যাদি।

খ) ইঞ্ (বা ষিণ্) প্রত্যয় ঃ

১) অ-কাৰান্ত প্রাতিপদিকৰ অন্তত অপত্য অর্থত ইঞ্ প্রত্যয় প্রয়োগ কৰা হয়।

২) এই প্রত্যয়টোক ষিণ্ প্রত্যয় বুলিও নামকৰণ কৰা হৈছে।

৩) এই প্রত্যয়টোৰ কেৱল 'ই' হে অৱশিষ্ট হৈ থাকে।

৪) উদাহৰণ— দক্ষস্য অপত্যম্ - দক্ষ +ইঞ্ = দাক্ষিঃ
কৃষ্ণস্য অপত্যম্ - কৃষ্ণ +ইঞ্ = কার্ষ্ণিঃ

৫) কেতিয়াবা কেতিয়াবা উ-কাৰান্ত অথবা আন আন প্রাতিপাদিকৰ পিছতো ইঞ্ প্রত্যয়ৰ যোগ হয়। যেনে—

বাহোৰপত্যম্ - বাহু +ইঞ্ = বাহৱিঃ

উপবাহোঃ অপত্যম্ - উপবাহু +ইঞ্ = উপবাহৱিঃ

গ) যঞ্ (ষ্ণ্য বা য্যণ্) প্রত্যয় ঃ

১) অপত্য অর্থত গর্গ আদি কেইটামান শব্দৰ পিছত যঞ্ প্রত্যয় হয়।

২) এই প্রত্যয়টোক ষ্ণ্য অথবা য্যণ্ বুলিও জনা যায়।

৩) এই প্রত্যয়টোৰ মাথোন 'য' হে অৱশিষ্ট থাকে।

৪) উদাহৰণ— গর্গস্য অপত্যং পুমান্ - গর্গ + যঞ্ = গার্গ্যঃ

বৎসস্য অপত্যং পুমান্ - বৎস + যঞ্ = ৱাৎস্যঃ

৫) যঞ্ প্রত্যয়ান্ত শব্দবিলাকৰ স্ত্রীলিঙ্গত 'য' কাৰ লোপ হয়; আৰু শব্দবোৰ 'ঈ' কাৰান্ত হয়। যেনে— গার্গী, মাধৰী ইত্যাদি।

ঘ) ফক্ (যায়নন্) প্রত্যয় ঃ

১) নড় প্রভৃতি কিছুমান প্রাতিপদিকৰ পিছত অপত্য (পৌত্র প্রপৌত্রাদি) অর্থত ফক্ প্রত্যয়ৰ প্রয়োগ হয়।

২) এই প্রত্যয়টোক কিছুমানে 'যায়নন্' বুলিও কয়।

৩) এই প্রত্যয়টোৰ মাথোন 'আয়ন' অংশটোহে থাকে।

৪) উদাহৰণ— নড়স্য অপত্যম্ - নড় +ফক্ (আয়ন) = নাড়ায়নঃ

শকটস্য অপত্যম্ - শকট +ফক্ = শাকটায়নঃ

৫) কিছুমান তদ্ধিত প্রত্যয়ান্ত শব্দ স্ত্রীলিঙ্গত 'ঈ' কাৰান্ত হ'ব। যেনে- দ্রোণায়নী, নাড়ায়নী ইত্যাদি।

ঙ) ঢক্ (ষেয়ন্) প্রত্যয় ঃ

১) অপত্য অর্থত স্ত্রীপ্রত্যয়ান্ত শব্দৰ পিছত ঢক্ প্রত্যয় প্রয়োগ হয়।

২) ঢক্ প্রত্যয়টোক 'ষেয়ন্' প্রত্যয় বুলিও জনা যায়।

৩) এই প্রত্যয়টোৰ কেৱল 'এয়' অংশটোহে থাকে।

৪) উদাহৰণ— বিনতায়াঃ অপত্যম্ - বিনতা +ঢক্ (ষেয়ণ্) = বৈনতেয়ঃ

গঙ্গায়াঃ অপত্যম্ - গঙ্গা +ঢক্ = গাঙ্গেয়ঃ



জানি থোৱা ভাল

ওপৰত উল্লেখ কৰা তদ্ধিত প্রত্যয়সমূহ অপত্য অর্থৰ বাহিৰেও আন আন অর্থতো প্রযুক্ত হয়। যেনে—

১) ৰং লগোৱা অর্থত ৰঙ বুজোৱা শব্দটোৰ পিছত অণ্ প্রত্যয়ৰ প্রয়োগ হয়। উদাহৰণ— কষায়েণ ৰক্ত্ - কষায় +অন্ = কাষায়ম্; হৰিদ্রয়া ৰক্তম্ - হৰিদ্রা +অঞ্ = হাৰিদ্রম্; নীল্যা ৰক্তম্ - নীল +অন্ = নীলম্; পীতেন ৰক্তম্ - পীত +কন্ = পীতকম্।

২) যেতিয়া কোনো এজন ব্যক্তিক কোনো এজন দেৱতাৰ সেৱক বা ভক্ত বুলি বুজোৱা হয়, তেতিয়া সেই দেৱতা বুজোৱা প্রাতিপদিকটোৰ পিছত অণ্ আদি প্রত্যয়সমূহ প্রয়োগ কৰা হয়। যেনে— বিষ্ণুঃ অস্য দেৱতা - বিষ্ণু +অন্ = বৈষ্ণৱঃ; শিবেঃ অস্য দেৱতা - শিৱঃ +অন্ = শৈৱঃ; শক্তিঃ অস্য দেৱতা - শক্তি +অণ্ = শাক্তঃ; প্রজাপতিঃ অস্য দেৱতা - প্রজাপতি +য্যন্ = প্রাজাপত্যঃ; অগ্নিঃ অস্য দেৱতা - অগ্নি +ঢক্ = আগ্নেয়ঃ।

৩) কোনো নির্ধাৰিত কাল বুজোৱাৰ বাবে নক্ষত্রবাচক শব্দৰ পিছত অণ্ প্রত্যয়ৰ প্রয়োগ হয়। যেনে— বিশাখয়া নক্ষত্রেণ যুক্তঃ - বিশাখা +অণ্ = বৈশাখঃ; শ্রৱনায়া নক্ষত্রেণ যুক্তঃ - শ্রৱণা +অন্ = শ্রাৱণঃ।

৪) সমূহ অর্থ বুজাবলৈ প্রাতিপদিকৰ পিছত অণ্, যঞ্ আদি প্রত্যয় সমূহৰ প্রয়োগ হয়। যেনে— ভিক্ষাণাং সমূহ - ভিক্ষা +অণ্ = ভৈক্ষ্যম্; অঙ্গাৰাণাং সমূহঃ - অঙ্গাৰ +অণ্ = আঙ্গাৰম্; ময়ূৰাণাং সমূহঃ - ময়ূৰ +অঞ্ = মায়ূৰম্; ধেনূনাং সমূহঃ - ধেনু +ঠক্ = ধৈনুকম্; গণিকানাং সমূহঃ - গণিকা +যঞ্ = গাণিক্যম্

৫) যিজনে অধ্যয়ন কৰে অথবা যিজনে জানে তেওঁক বুজাবলৈ, সেই জনা বা অধ্যয়ন কৰা বিষয়টোৰ পিছত এই প্রত্যয়বোৰ যোগ হয়। যেনে— বেদং বেত্তি (অধীতে বা) - বেদ +ষিকণ্ = বৈদিকঃ, জ্যোতিষং বেত্তি (অধীতে বা) - জ্যোতিষ +ষণ্ = জ্যোতিষঃ, ব্যাকৰণং বেত্তি (অধীতে বা) - ব্যাকৰণ +অন্ = বৈয়াকৰণঃ।

৬) কোনোবাই কোৱা অর্থত, যিজনে কৈছে তেওঁৰ নামৰ পিছত এই প্রত্যয়সমূহ যুক্ত হয়। যেনে— ঋষিণা প্রোক্তম্ - ঋষি + অণ্ = আর্ষম্; মনুনা প্রোক্তম্ - মনু +অণ্ = মানবম্; পতঞ্জলিনা প্রোক্তম্ - পতঞ্জলি +অণ্ = পাতঞ্জলম্; অত্রিণা প্রোক্তম্ - অত্রি +ঢক = আত্রেয়ম্ ।

৭) কোনো ব্যক্তিবিশেষ অথবা কিবা এটা বস্তুৰ দ্বাৰা কিবা এটা কার্য্য কৰা অর্থত, ব্যক্তি বাচক নাইবা বস্তুবাচক প্রাতিপদিকটোৰ পিছত এই প্রত্যয়সমূহৰ প্রয়োগ হয়। যেনে— পুৰুষেণ কৃতম্ -পুৰুষ +ঢক্ = পৌৰুষেয়ম্; কায়েন কৃতম্ - কায় +ঠক্ = কায়িকম্; শৰীৰেণ কৃতম্ - শৰীৰ + ঠক্ = শাৰীৰিকম্; মনসা কৃতম্ - মনাস্ +ঠক্ = মানসিকম্।

৮) কোনো এঠাইত থকা অথবা জন্ম হোৱা আদি অর্থ বুজাবলৈ সেই প্রাতিপদিকটোৰ পিছত ওপৰোক্ত প্রত্যয়বিলাকৰ প্রয়োগ হয়। যেনে— মথুৰায়াং ভবঃ - মথুৰা +অণ্ = মাথুৰঃ; কলিঙ্গে ভবঃ - কলিঙ্গ +অণ্ = কালিঙ্গঃ,গ্রামে ভবঃ - গ্রাম +যঞ্ = গ্রামীণঃ।

৯) কোনো এটা বস্তুৰ কিবা এটা গুণ বুজাবলৈ প্রাদিপদিকৰ পিছত ষণ্ প্রত্যয়ৰ প্রয়োগ হয়।যেনে— কৃপণস্য ভাৱঃ - কৃপণ +ষণ্= কার্পণ্যম্; লঘোর্ভাৱঃ - লঘু +ষণ্ = লাঘবম্।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তলত দিয়া শব্দসমূহৰ প্রত্যয়বোৰ ভাঙি দেখুৱাওক ঃ

১) শৈৱঃ ২) দাক্ষিঃ ৩) গার্গ্যঃ

৪) নাৰায়ণঃ ৫) গাঙ্গেয়ঃ

.....

.....

১২.৩.২ মতুপ্ প্রত্যয়ার্থক প্রত্যয়

ক) মতুপ্ প্রত্যয় ঃ

১) "সেইটো ইয়াৰ আছে" (তৎ অস্য অস্তি) আৰু "সেইটো ইয়াত আছে" (তৎ অস্মিন্ অস্তি) —এই দুই প্রকাৰৰ অর্থ প্রকাশ কৰিবলৈ প্রাতিপদিকৰ পিছত মতুপ্ প্রত্যয় ব্যৱহাৰ কৰা হয়।

২) মতুপ্ প্রত্যয়টোৰ কেৱল 'মৎ' অংশটোহে থাকে।

৩) মতুপ্ প্রত্যয়ান্ত শব্দবোৰ প্রায়ে বিশেষণৰ দৰে ব্যৱহাৰ হয়। পুংলিঙ্গত এই শব্দবোৰ 'গচ্ছৎ' শব্দৰ দৰেই হয়; কেৱল প্রথমা বিভক্তিৰ একবচনত এটা 'আ-কাৰ' সংযোজিত হয়। যেনে— পুত্রবান্ জনঃ। (গচ্ছৎ শব্দৰ প্রথমাৰ একবচনৰ দৰে হ'লে পুত্রবৎ শব্দটোৰ ৰূপ 'পুত্রৱন্' হ'লহেঁতেন)।মতুপ্ প্রত্যয়ান্ত শব্দ স্ত্রীলিঙ্গত 'নদী' শব্দৰ দৰে হয়। যেনে— পুত্রৱতী স্ত্রী। আৰু ক্লীৱলিঙ্গত 'গচ্ছৎ' শব্দৰ দৰে হয়। যেনে— পুত্রবৎ মিত্রম্।

৪) উদাহৰণ—

গাৱঃ সন্তি অস্য - গো + মতুপ্ = গোমৎ - গোমান্ (পুংলিঙ্গ, প্রথমা, একবচন)

নদ্যঃ সন্তি অস্মিন্ - নদী + মতুপ্ = নদীমৎ - নদীমান্ (পুংলিঙ্গ, প্রথমা, একবচন)

৫) মতুপ্ প্রত্যয়ৰ অৱশিষ্ট অংশত থকা 'ম' ৰ ঠাইত কেতিয়াবা 'ৱ' হয়। যেনে—

ক) অ-বর্ণান্ত অর্থাৎ যিবোৰ শব্দৰ শেষত অ অথবা আ-কাৰ থাকে, সেইবোৰ প্রাতিপাদিকৰ পিছত মতুপ্ প্রত্যয় যোগ হ'লে, 'ম' কাৰৰ ঠাইত 'ৱ' কৰা হয়। যেনে— জ্ঞানম্ অস্য অস্তি - জ্ঞান (জ্ +ঞ +আ +ন্ +অ) +মতুপ্ = জ্ঞানৱৎ - জ্ঞানৱান্; ধনম্ অস্য অস্তি - ধন +মতুপ্ = ধনৱৎ - ধনৱান্

খ) ম-কাৰান্ত, অবর্ণান্ত, উপধা ম-কাৰ যুক্ত আৰু উপধা অ-বর্ণ যুক্ত প্রাতিপদিকৰ লগত মতুপৰ 'ম' ৰ ঠাইত 'ৱ' হয়। যেনে—

ম-কাৰান্ত— কঃ অস্য অস্তি - কিম্ +মতুপ্ = কিংৱান্

অ-বর্ণান্ত— পুত্রঃ অস্য অস্তি - পুত্র +মতুপ্ = পুত্রৱান্

উপধা-মকাৰযুক্ত— লক্ষ্মীঃ অস্য অস্তি - লক্ষ্মী + মতুপ্ = লক্ষ্মীৱান্

উপধা অ-বর্ণযুক্ত— নভঃ অস্য অস্তি - নভস্ + মতুপ্ = নভস্বান্

খ) ৱিনি প্রত্যয় ঃ

১) 'অস্' ভাগান্ত প্রাতিপদিক, তথা মায়া, মেধা আৰু স্রজ শব্দৰ অন্তত মতুপ্ প্রত্যয়ৰ অর্থত, অর্থাৎ 'সেইটো ইয়াৰ আছে' নতুবা 'সেইটো ইয়াত আছে' - এনেকুৱা অর্থত ৱিনি প্রত্যয় ব্যৱহাৰ কৰা হয়।

২) ৱিনি প্রত্যয়টোৰ কেৱল 'ৱিন্' অংশটোহে থাকে।

৩) উদাহৰণ— পয়ঃ অস্য অস্তি - পায়স্ + ৱিনি = পয়স্বিন্ (প্রথমা বিভক্তিৰ এখবচনত - পয়স্বী); যশঃ অস্য অস্তি - যশস্ + ৱিনি = যশস্বী

৪) ৱিনি প্রত্যয়ান্ত শব্দৰ শব্দৰূপ 'পক্ষিণ্' শব্দৰ দৰে কৰা হয়।

গ) ইনি ঃ

১) সুখ আদি কেইটামান শব্দৰ পিছত মতুপ্ অর্থত 'ইনি' প্রত্যয়ৰ প্রয়োগ হয়।

২) ইনি প্রত্যয়ৰ কেৱল 'ইন্' অংশটোহে অৱশিষ্ট থাকে।

৩) এই প্রত্যয়ান্ত শব্দবোৰৰ শব্দৰূপ 'পক্ষিন্' শব্দৰ দৰেই হয়।

৪) উদাহৰণ— সুখম্ অস্য অস্তি - সুখ + ইনি = সুখিন্ (সুখী)
দুঃখম্ অস্য অস্তি - দুঃখ + ইনি = দুঃখী

৫) একাধিক স্ৱৰবর্ণ বিশিষ্ট আৰু অ-বর্ণান্ত প্রাতিপদিকৰ পিছত 'ইনি' প্রত্যয় হয়। এই একেটা অর্থতে কেতিয়াবা কেতিয়াবা মতুপ্ আৰু বিনি প্রত্যয়ো হয়। যেনে— জ্ঞানম্ অস্য অস্তি - জ্ঞান্ + ইনি = জ্ঞানী; বলম্ অস্য অস্তি - বল + ইনি = বলী

৬) জাতি (Class) বুজালে হস্ত আৰু কৰ শব্দ দুটাৰ ইনি প্রত্যয়ৰ প্রয়োগ হয়। যেনে— হস্তঃ অস্য অস্তি-হস্ত + ইনি = হস্তী (হাতী); কৰঃ অস্য অস্তি - কৰ + ইনি = কৰী (হাতী)।

৭) ব্রহ্মচাৰী অর্থত বর্ণ শব্দৰ পিছত ইনি প্রত্যয় হয়। যেনে— বর্ণঃ অস্য অস্তি - বর্ণ + ইনি = বর্ণী (ব্রহ্মচাৰী)

৮) স্থান (ঠাই) বুজালে পুষ্কৰ প্রভৃতি কেইটামান শব্দৰ পিছত ইনি প্রত্যয় হয়। এই শব্দবোৰ সাধাৰণতে স্ত্রীলিঙ্গ হয়। যেনে— পুষ্কৰাণি অস্যাং সন্তি - পুষ্কৰ + ইনি = পুষ্কৰিণী (পদুমফুল থকা সৰোবৰ); পদ্মানি অস্যাম্ সন্তি - পদ্ম + ইনি = পদ্মিনী।

৯) যাচক অর্থাৎ মগনীয়া বুজালে অর্থ (ধন-সম্পত্তি) শব্দৰ পিছত ইনি প্রত্যয় হয়। যেনে— অর্থঃ অস্য অস্তি - অর্থ + ইনি = অর্থী।

ঘ) ৰ-প্রত্যয় ঃ

১) উষ, শুষি, মুষ্ক আৰু মধু —এইকেইটা শব্দৰ পিছত মতুপ অর্থত 'ৰ' প্রত্যয় হয়। যেনে— উষঃ বিদ্যতে অস্মিন্ - উষ + ৰ = উষৰঃ; শুষিঃ বিদ্যতে যস্মিন্

- শুষি + ৰ = শুষিৰঃ (ছিদ্র থকা); মুষ্কঃ বিদ্যতে অস্য- মুষ্ক + ৰ = মুষ্কৰঃ (শক্তিসম্পন্ন); মধুঃ অস্য অস্তি - মধু + ৰ = মধুৰঃ।

ঙ) **ল (লচ্) প্রত্যয় ঃ**

১) মতুপ্ প্রত্যয়ৰ অর্থত মাংস প্রভৃতি কেইটামান শব্দৰ পিছত 'ল' প্রত্যয়ৰ প্রয়োগ হয়। যেনে— মাংসম্ অস্য অস্তি - মাংস + লঃ = মাংসলঃ; শ্রীঃ অস্য অস্তি - শ্রী + ল = শ্রীলঃ; শীতগুণঃ অস্য অস্তি - শীত + ল = শীতলঃ; শ্যামগুণঃ অস্য অস্তি = শ্যামলঃ।

চ) **শ, ইলচ্ আৰু উৰচ্ ঃ**

১) মতুপ্ প্রত্যয়ৰ অর্থত কিছুমান শব্দৰ পিছত শ, ন, ইনচ্ আৰু উৰচ্ প্রত্যয় প্রয়োগ কৰা হয়। উদাহৰণ—

শ-প্রত্যয় - লোমানি অস্য সন্তি - লোম + শ = লোমশঃ

ইলচ্ প্রত্যয় - পঙ্ক ঃ অস্য অস্তি - পঙ্ক + ইলচ্ = পঙ্কিলঃ

উৰচ্ প্রত্যয় - উন্নতা দন্তাং সন্তি অস্য - দন্ত + উৰচ্ = দন্তুৰঃ



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ তলত দিয়া শব্দবোৰৰ প্রত্যয়বোৰ ভাঙি দেখুৱাওক ঃ

১) গোমান্ ২) ধনৱান্ ৩) যশস্বী

৪) দুঃখী ৫) জ্ঞানী

.....

.....

১২.৩.৩উৎকর্ষ বুজোৱা প্রত্যয়

ক) **তমপ্ আৰু ইষ্ঠন্ ঃ**

১) বহুতৰ মাজত এটাৰ গুণৰ উৎকর্ষতা বুজাবলৈ কোনো কোনো শব্দৰ পিছত তমপ্ আৰু ইষ্ঠন্ প্রত্যয়ৰ প্রয়োগ কৰা হয়।

২) এই প্রত্যয় দুটাই ইংৰাজী ব্যাকৰণত ব্যৱহাৰ কৰা Superlative Degree দৰে সংস্কৃত ব্যাকৰণত কাম কৰে।

৩) তমপ্ প্রত্যয়ৰ কেৱল 'তম' অংশটোহে থাকে; আনহাতে ইষ্ঠন্ প্রত্যয়টোৰ কেৱল 'ইষ্ঠ' অংশটোহে থাকে।

৪) এই প্রত্যয়ান্ত শব্দৰ ৰূপ পুংলিঙ্গত অ-কাৰান্ত 'নৰ' শব্দৰ দৰে হয়। যেনে— লঘুতমঃ নৰঃ, স্ত্রীলিঙ্গত আ-কাৰান্ত 'লতা' শব্দৰ দৰে হয়; যেনে— লঘুতমা লতা আৰু ক্লীৱলিঙ্গত 'ফলম্' শব্দৰ দৰে হয়; যেনে— লঘুতমম্ বৃক্ষম্।

৫) উদাহৰণ— মহান +তমপ্ = মহত্তমঃ, মহান +ইষ্ঠন্ = মহিষ্ঠঃ
ধনী + ইষ্ঠন্ = ধনিষ্ঠঃ, স্তোতা +ইষ্ঠন্ = স্তৰিষ্ঠঃ

খ) তৰপ্ আৰু ঈয়সুন্ প্রত্যয় ঃ

১) দুটাৰ মাজত এটাৰ গুণৰ উৎকর্ষতা বুজাবলৈ তৰপ্ আৰু ঈয়সুন্ প্রত্যয়ৰ প্রয়োগ কৰা হয়।

২) এই প্রত্যয় দুটাই ইংৰাজী ব্যাকৰণত ব্যৱহাৰ কৰা Comparative degreeৰ দৰে কাম কৰে।

৩) তৰপ্ প্রত্যয়টোৰ কেৱল 'তৰ' অংশটোহে অৱশিষ্ট থাকে, আনহাতে ঈয়সুন্ প্রত্যয়ৰ কেৱল 'ঈয়স্' অংশটোহে থাকে।

৪) ঈয়সুন্ প্রত্যয়ান্ত শব্দসমূহৰ শব্দৰূপ পুংলিঙ্গত 'শ্রেয়স্' শব্দৰ দৰে হয়; যেনে— লঘীয়ান্, স্ত্রীলিঙ্গত 'নদী' শব্দৰ দৰে হয়; যেনে— লঘীয়সী আৰু ক্লীৱলিঙ্গ 'মনস্' শব্দৰ দৰে হয়; যেনে— লঘীয়ঃ।

৫) উদাহৰণ— মহান্ + তৰপ্ = মহত্তৰঃ; মহান্ + ঈয়সুন্ = মহীয়স্ + প্রথমা একবচন = মহীয়ান্; অল্প +তৰপ্ = অল্পতৰঃ; অল্প +ঈয়সুন্ = অল্পীয়ান্।

গ) ডতৰচ্ আৰু ডতমচ্ প্রত্যয় ঃ

১) কিম্ (অর্থাৎ কিমান), যদ্ আৰু তদ্ শব্দৰ পিছত দুটাৰ মাজত উৎকর্ষ বুজাবলৈ ডতৰচ্ আৰু বহুতৰ মাজত এটাৰ উৎকর্ষ বুজাবলৈ ডতমচ্ প্রত্যয় প্রয়োগ কৰা হয়। যেনে—

কিম্ +ডতৰচ্ = কতৰঃ - অনয়োঃ কতৰো বৈষ্ণৱঃ?

কিম্ +ডতমচ্ = কতমঃ - এষাং কতমঃ পণ্ডিত?

যদ্ +ডতৰচ্ = যতৰঃ; যদ্ +ডতমচ্ = যতমঃ



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ তলত দিয়া শব্দবোৰৰ প্রত্যয়বোৰ ভাঙি দেখুৱাওক ঃ

১) ধনিষ্ঠ ঃ ২) অল্পতমঃ ৩) মহত্তৰঃ

৪) অল্পীয়ান্ ৫) কতমঃ

.....

.....

১২.৩.৪ সংখ্যাবাচক প্রত্যয়/সময়বাচক প্রত্যয়

ক) কৃত্বসুচ্ ঃ

১) অভ্যাসবৃত্তি অর্থাৎ বাৰে বাৰে কৰা —এই অর্থ বুজাবলৈ সংখ্যাবাচক শব্দৰ পিছত কৃত্বসুচ্ প্রত্যয় হয়।

২) এই প্রত্যয়টোৰ কেৱল 'কৃত্বস্' অংশটোহে থাকে।

৩) উদাহৰণ— পঞ্চ বাৰান্ ভুঙ্‌ক্তে - পঞ্চ + কৃত্বসুচ্ = পঞ্চকৃত্বঃ ভুঙ্‌ক্তে (পাঁচবাৰ খায়)

খ) সুচ্ ঃ

১) ক্রিয়াৰ কার্য্যৰ সংখ্যা বুজাবলৈ 'এক' শব্দৰ সলনি সকৃৎ ব্যৱহাৰ কৰা হয়। যেনে— একং বাৰং ভুঙ্‌ক্তে - সকৃৎ ভুঙ্‌ক্তে (এবাৰ খায়)

২) দ্বি, ত্রি আৰু চতুৰ শব্দৰ অন্তত সুচ্ প্রত্যয় হয়। এই প্রত্যয়টোৰ কেৱল স্ (ঃ) হে অৱশিষ্ট থাকে। যেনে - দ্বৌ ৱাৰৌ ভুঙ্‌ক্তে - দ্বিঃ ভুঙ্‌ক্তে (দুবাৰ খায়); ত্রীন্ বাৰান্ ভুঙ্‌ক্তে - ত্রিঃ ভুঙ্‌ক্তে (তিনিবাৰ খায়); চতুৰো বাৰান্ ভুঙ্‌ক্তে - চতুঃ ভুঙ্‌ক্তে (চাৰিবাৰ খায়)

ছ) দা ঃ

১) সময় বুজাবলৈ কিছুমান প্রত্যয়ৰ পিছত 'দা' প্রত্যয়ৰ প্রয়োগ হয়। দা-প্রত্যয়ান্ত শব্দবোৰ অব্যয়।

২) উদাহৰণ—

একস্মিন্ কালে - এক + দা = একদা (এসময়ত)

অন্যস্মিন্ কালে - অন্য + দা = অন্যদা (আন এদিনাখন)

কস্মিন্ কালে - কিম্ + দা = কদা (কর্হি ও হয়) (কেতিয়া)

তস্মিন্ কালে - তদ্ + দা = তদা (তর্হি, তদানীম্ - ও হয়) (তেতিয়া)।

জ) এদ্যুস্ ঃ

১) দিন বুজাবলৈ কিছুমান শব্দৰ পিছত এদ্যুস্ (এদ্যুঃ) প্রত্যয়ৰ প্রয়োগ হয়। এই প্রত্যয়ান্ত শব্দবোৰ অব্যয়। যেনে—

অন্যস্মিন্ অহনি - অন্য + এদ্যুস্ = অন্যেদ্যুঃ (আন এদিনাখন)

উভয়স্মিন্ অহনি - উভয় + এদ্যুস্ = উভয়েদ্যুঃ (দুয়োদিনাই)

১২.৪ সংক্ষিপ্ত প্রত্যয় সূচী

প্রত্যয়ৰ নাম	প্রযুক্ত অর্থ	ব্যৱহৃত অংশ	উদাহৰণ
অণ্ (ষ্ণ, ষণ্)	অপত্যার্থে	অ	শিৱ + অণ্ = শৈৱঃ
ইঞ (ষিণ্)	অপত্যার্থে	ই	দক্ষ + ইঞ = দাক্ষিঃ
যঞ (ষ্ণ্য, ষ্যণ্)	অপত্যার্থে	য	গর্গ + যঞ = গার্গ্যঃ
ফক্ (যায়নন্)	অপত্যার্থে	আয়ন	নৰ + ফক্ = নাৰায়ণঃ
ঢক্ (ষেয়ন্)	অপত্যার্থে	এয়	বিনতা + ঢক্ = বৈনতেয়ঃ
ঠক্ (ষিকণ্)	অপত্যার্থে	ইক্	ৱেৱতী + ঠক্ = ৱৈৱতিকঃ

মতুপ্	সেইটো ইয়াত আছে, সেইটো ইয়াত আছে	মৎ	নদী +মতুপ্ = নদীমান্
			বল +মতুপ্ = বলৱান্
ৱিনি	সেইটো ইয়াত আছে	ৱিন্	যশস্ +ৱিনি = যশস্বী (যশস্বিন্)
ইনি	সেইটো ইয়াত আছে	ইন্	সুখ +ইনি = সুখী (সুখিন্)
ৰ	সেইটো ইয়াত আছে	ৰ	উষ +ৰ = উষৰঃ
লচ্	সেইটো ইয়াত আছে	ল	শীত +ল = শীতলঃ
শ	সেইটো ইয়াত আছে	শ	লোম +শ = লোমশঃ
ইলচ্	সেইটো ইয়াত আছে	ইল	পঙ্ক +ইলচ্ = পঙ্কিলঃ
উৰচ্	সেইটো ইয়াত আছে	উৰ	দন্ত +উৰচ্ = দন্তুৰঃ
তমপ্	উৎকর্ষ অর্থত	তম	দীর্ঘ +তমপ্ = দীর্ঘতমঃ
ইষ্ঠন্	উৎকর্ষ অর্থত	ইষ্ঠ	অল্প +ইষ্ঠন্ = অল্পিষ্ঠঃ
তৰপ্	উৎকর্ষ অর্থত	তৰ	গুৰু +তৰপ্ = গুৰুতৰঃ
ইষ্ঠন্	উৎকর্ষ অর্থত	ঈয়স্	অল্প +ঈয়সুন্ = অল্পীয়ান্ (অল্পীয়স্)
ডতৰচ্	উৎকর্ষ অর্থত	তৰ	কিম্ +ডতৰচ্ = কতৰঃ
ডতমচ্	উৎকর্ষ অর্থত	তম	কিম্ +ডতমচ্ = কতমঃ
কৃত্বসুচ্	সংখ্যা বাচক অর্থত	কৃত্বস্	পঞ্চ +কৃত্বসুচ্ = পঞ্চকৃত্বঃ
সুচ্	সংখ্যা বাচক অর্থত	স্ (ঃ)	চতুৰ্ +সুচ্ = চতুঃ
ধাচ্	সংখ্যা বাচক অর্থত	ধা	এক +ধাচ্ = একধা
ডট্	সংখ্যা বাচক অর্থত	অ	একাদশ +ডট্ = একাদশঃ
			পঞ্চ +ডট্ = পঞ্চমঃ
আচ্	সংখ্যা বাচক অর্থত	আ	দক্ষিণ +আচ্ = দক্ষিণা
আহি	সংখ্যা বাচক অর্থত	আহি	দক্ষিণ +আহি = দক্ষিণাহি
দানীম্	সময় বুজাবলৈ	দানীম্	ইদম্ +দানীম্ = ইদানীম্
এদ্যুস্	সময় বুজাবলৈ	এদ্যু	অন্য +এদ্যুস্ = অন্যেদ্যুঃ
			পূর্ব +এদ্যুস্ = পূর্বেদ্যুঃ
দা	সময় বুজাবলৈ	দা	এক +দা = একদা



১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়নৰ অন্তত আপুনি—

- তদ্ধিত প্রত্যয় সম্বন্ধে জ্ঞান লাভ কৰিলে।
- অপত্য অর্থ, মতুপ অর্থ, উৎকর্ষ আদি বিভিন্ন অর্থত প্রয়োগ হোৱা তদ্ধিত প্রত্যয়সমূহৰ বিষয়ে জানিব পাৰিলে।

- লিঙ্গ, বিভক্তি আৰু বচন অনুসৰি প্ৰযুক্ত হোৱা তদ্ধিত প্ৰত্যয়ান্ত শব্দসমূহৰ লগতো পৰিচিত হ'ব পাৰিলে।
- কিছুমান তদ্ধিত প্ৰত্যয়ান্ত শব্দ যে প্ৰত্যয় হিচাপেও ব্যৱহাৰ কৰা হয়, এই বিষয়েও ধাৰণা লাভ কৰিলে।
- প্ৰত্যয়সমূহ প্ৰয়োগ হোৱাৰ পিছত কিছুমান শব্দৰ আকৃতিগত পৰিবৰ্ত্তনো হয়, এই বিষয়েও অৱগত হ'ব পাৰিলে।



১২.৬ অধিক জানিবলৈ

১) চক্ৰৱৰ্তী, মহেশ্বৰ (১৯৭৪); *সংস্কৃত ব্যাকৰণ প্ৰৱেশিকা*; গুৱাহাটী ঃ অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেড্।

২) বিদ্যাসাগৰ, ঈশ্বৰ চন্দ্ৰ; *সমগ্ৰ ব্যাকৰণ কৌমুদী*; কলিকতা ঃ দেৰ সাহিত্য কুটীৰ প্ৰাইভেট লিমিটেড্।

৩) ভট্টাচাৰ্য্য, হৰিচন্দ্ৰ (১৯৯৬); *সংস্কৃত ব্যাকৰণ প্ৰভা*; গুৱাহাটী ঃ বৰুৱা এজেন্সি।

৪) শৰ্মা, গিৰিধৰ (১৯৮৮); *Sanskrit Grammar Composition & Translation*; গুৱাহাটী ঃ ৰাধা প্ৰকাশন।

৫) শাস্ত্ৰী, খগেন্দ্ৰ নাথ (১৯৮৫); *সংস্কৃত প্ৰৱেশ ব্যাকৰণ*; গুৱাহাটী ঃ গ্ৰন্থপীঠ।



১২.৭ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ১) শিৱ + অণ্ ২) দক্ষ + ইঞ্ ৩) গৰ্গ + যঞ্
৪) নৱ + ফক্ ৫) গঙ্গা + ঢক্

২নং প্ৰশ্নৰ উত্তৰ ঃ ১) গো + মতুপ্ ২) ধন + মতুপ্ ৩) যশস্ + ৱিনি
৪) দুঃখ + ইনি ৫) জ্ঞান + ইনি

৩নং প্ৰশ্নৰ উত্তৰ ঃ ১) ধনী + ইষ্ঠন্ ২) অল্প + তমপ্ ৩) মহান্ + তৱপ্
৪) গুৰু + ঈয়সুন্ ৫) কিম্ + ডতমচ্



১২.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ (৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰত্যয়ান্ত শব্দসমূহৰ প্ৰত্যয়সমূহ ভাঙি দেখুৱাওক ঃ

পাৰ্থঃ, দ্ৰৌণিঃ, যাজ্ঞবল্ক্যঃ, নাড়ায়নী, ভাগিনেয়ঃ, বুদ্ধিমান্, দয়াবান্, ধনী, ক্ষুদ্ৰতমঃ, ভূয়ান্।

খ) চুটি প্রশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ মতুপ্ প্রত্যয়ার্থক প্রত্যয়ৰ বিষয়ে চমুকৈ লিখক।

গ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০ শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ তদ্ধিত প্রত্যয়সমূহৰ বিষয়ে বহলাই লিখক।

*** ***** ***